# NSD NEWS UNIT
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 28-12-2025
**Time :** 1340 Hrs.

## *Assamese Midday Bulletin*
## HEADLINES

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ১২৯ সংখ্যক মন কী বাত অনুষ্ঠানত ২০২৫ বৰ্ষত ভাৰতে বিভিন্ন ক্ষেত্ৰত লাভ কৰা সফলতাৰ ওপৰত আলোকপাত কৰে।
২। শক্তিশালী যুৱ সমাজৰ বাবে বিশ্বৰ বুকুত ভাৰতে উল্লেখনীয় স্থান দখল কৰিবলৈ সক্ষম হৈছে বুলি প্ৰধানমন্ত্ৰীয়ে মন্তব্য কৰে।
৩। কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহ আজি দুদিনীয়া ভ্ৰমণসূচীৰে অসমলৈ আহিব।
৪। ঘন কুঁৱলীৰ বাবে দেশৰ বিভিন্ন প্ৰান্তত ৰে'লৰ চলাচলত ব্যাঘাত হৈছে বুলি ভাৰতীয় ৰে'লৰে প্ৰকাশ কৰিছে।

*আৰু*

৫। ভাৰত আৰু শ্ৰীলংকাৰ মাজৰ মহিলা টী-টুৱেণ্টী ক্ৰিকেট শৃংখলাৰ চতুৰ্থখন খেল আজি তিৰুৱনন্তপুৰমত অনুষ্ঠিত হ'ব।

oooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কয় যে ৰাষ্ট্ৰীয় সুৰক্ষাৰ পৰা ক্ৰীড়া জগতলৈকে, বিজ্ঞান পৰীক্ষাগাৰৰ পৰা বৃহৎ মঞ্চলৈকে ভাৰতে চলিত বৰ্ষত বিভিন্ন ক্ষেত্ৰত বিশ্বৰ বুকুত শক্তিশালী চাপ এৰি যোৱাত সমৰ্থ হৈছে। আকাশবাণীযোগে প্ৰচাৰিত ১২৯ সংখ্যক মন কী বাত অনুষ্ঠানত প্ৰধানমন্ত্ৰীগৰাকীয়ে আজি এই মন্তব্য কৰে। নিজৰ মনৰ ভাৱ ব্যক্ত কৰি প্ৰধানমন্ত্ৰীগৰাকীয়ে ২০২৫ বৰ্ষটোৰ বিষয়ে আলোকপাত কৰি কয়, যে বছৰটোৱে প্ৰতিজন ভাৰতীয়কে গৌৰৱ কৰিব পৰাকৈ যথেষ্ট স্মৃতি দি গৈছে। অপাৰেচন সিন্দুৰ প্ৰতিগৰাকী ভাৰতীয়ৰ বাবে গৌৰৱ কৰিব পৰা আটাইতকৈ উল্লেখনীয় মুহূৰ্ত বুলি প্ৰধানমন্ত্ৰীয়ে মত পোষণ কৰে।

বন্দে মাতৰমৰ ১৫০ বছৰীয়া উদযাপনত দেশবাসীৰ স্পৃহা আৰু উদ্যমৰ প্ৰধানমন্ত্ৰীয়ে শলাগ লয়। ক্ৰীড়াৰ দিশতো ২০২৫ চনতো উল্লেখনীয় আছিল। ভাৰতীয় পুৰুষ ক্ৰিকেট দলৰ আই চি চি চেম্পিয়নছ ট্ৰফী দখল আৰু মহিলা ক্ৰিকেট দলৰ প্ৰথমবাৰৰ বাবে বিশ্বকাপে দখলে দেশবাসীক উৎসাহিত কৰাৰ কথা শ্ৰীমোদীয়ে উল্লেখ কৰে। মহিলাৰ দৃষ্টিহীন টি-২০ বিশ্বকাপত ভাৰতীয় দলে খিতাপ দখলেৰে যি ইতিহাস ৰচিলে তাৰবাবে প্ৰধানমন্ত্ৰীয়ে প্ৰতিগৰাকীয়ে খেলুৱৈকে প্ৰশংসা কৰে। বিশ্ব চেম্পিয়নশ্বিপৰ বিভিন্ন শিতানত পদক লাভ কৰা পেৰা এথলিটসকলকো তেওঁ অভিনন্দন জনায়।

বিজ্ঞান আৰু মহাকাশ গৱেষণাৰ ক্ষেত্ৰত ভাৰতে উল্লেখনীয় অগ্ৰগতি লাভ কৰিছে বুলি উল্লেখ কৰি প্ৰধানমন্ত্ৰীয়ে এইদৰে কয়।

*বাইট- পি এম*

প্ৰধানমন্ত্ৰীগৰাকীয়ে কয়, যে এটা শক্তিশালী যুৱ শক্তিৰ বাবে বিশ্বৰ বুকুত ভাৰতে আজি উল্লেখনীয় স্থান দখল কৰিবলৈ সক্ষম হৈছে। বিজ্ঞান, নতুন উদ্ভাৱন আৰু প্ৰযুক্তিৰ বিকাশৰ ক্ষেত্ৰত ভাৰতে লাভ কৰা

সফলতাৰ বাবে এয়া সম্ভৱপৰ হৈছে বুলি তেওঁ কয়। যুৱ সমাজক সম্বোধন কৰি প্ৰধানমন্ত্ৰীয়ে কয়, যে অহা জানুৱাৰী মাহৰ ১২ তাৰিখে ৰাষ্ট্ৰীয় যুৱ দিৱসৰ দিনাই Young Leaders Dialogue অনুষ্ঠিত হ'ব। প্ৰধানমন্ত্ৰীয়ে অনুষ্ঠানতটোত যুৱ সমাজৰ বৰ্ধিত অংশগ্ৰহণৰ শলাগ লয়।

মণিপুৰৰ উদ্যোগী মৈৰাংথেম শেঠৰ বিষয়ে প্ৰধানমন্ত্ৰীয়ে বিশেষভাৱে উল্লেখ কৰে। ৰাজ্যখনৰ এখন প্ৰান্তীয় গাঁৱৰ এই লোকজনৰ প্ৰচেষ্টাত অঞ্চলটোত সৌৰশক্তি উৎপাদনৰ ক্ষেত্ৰত লোৱা পদক্ষেপৰ বাবে প্ৰধানমন্ত্ৰীয়ে শলাগ লয়। তেওঁৰ এই প্ৰচেষ্টাৰ ফলত অঞ্চলটোত কেইবাশ পৰিয়ালে সৌৰশক্তি উৎপাদন তথা ব্যৱহাৰ কৰাৰ লগতে বহুতো স্বাস্থ্য সেৱা কেন্দ্ৰও সৌৰশক্তি ব্যৱহাৰৰ উপযোগী হৈ উঠিছে। শ্ৰীমোদীয়ে লগতে কয়, যে স্থানীয় মহিলা, মাছমৰীয়া আৰু শিল্পীসকলে এই উদ্যমিতাৰ জৰিয়তে বিশেষ সুবিধা লাভ কৰিছে।

সদ্য সমাপ্ত **স্মাৰ্ট ইণ্ডিয়া হেকাথন**ৰ সফলতাত প্ৰধানমন্ত্ৰীগৰাকীয়ে কয়, যে এইবাৰ হেকাথনত ৮০টা বিভিন্ন চৰকাৰী বিভাগৰ ২৭০টাতকৈও অধিক সমস্যা ছাত্ৰ-ছাত্ৰীসকলে কাম কৰি আছে। ধাৰণাক কাৰ্যত ৰূপান্তৰ কৰাৰ ক্ষেত্ৰত স্মাৰ্ট ইণ্ডিয়া হেকাথন উল্লেখনীয় মাধ্যম বুলি তেওঁ মন্তব্য কৰে।

০০০০০০০০০

কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহ আজি দুদিনীয়া ভ্ৰমণসূচীৰে অসমলৈ আহিব। ভ্ৰমণকালত শ্ৰীশ্বাহে গুৱাহাটী আৰু বটদ্ৰৱাত কেইবাটাও গুৰুত্বপূৰ্ণ কাৰ্যসূচীত অংশগ্ৰহণ কৰিব। তেওঁ কাইলৈ নগাঁও জিলাৰ বটদ্ৰৱাত অসম চৰকাৰে নতুনকৈ নিৰ্মাণ কৰি উলিওৱা ঐতিহাসিক বটদ্ৰৱা প্ৰকল্প উদ্বোধন কৰিব।

গৃহমন্ত্ৰী শ্ৰীশ্বাহে কাইলৈ গুৱাহাটীৰ নতুন আৰক্ষী আয়ুক্তালয় আৰু খানাপাৰাত নৱ নিৰ্মিত জ্যোতি বিষ্ণু প্ৰেক্ষাগৃহ উদ্বোধন কৰিব। ৫ হাজাৰ খন আসনযুক্ত এই প্ৰেক্ষাগৃহ উত্তৰ পূৰ্বাঞ্চলৰ অন্যতম বৃহৎ প্ৰেক্ষাগৃহ হিচাপে পৰিগণিত হ'ব। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ উপস্থিতিত কেন্দ্ৰীয় গৃহমন্ত্ৰীগৰাকীয়ে কাইলৈ বিয়লি ৪ বজাত আয়োজিত এটা অনুষ্ঠানত প্ৰেক্ষাগৃহটো উদ্বোধন কৰিব। এই প্ৰেক্ষাগৃহত সন্মিলন ভৱন, বহু খলপীয়া গাড়ী ৰখোৱা স্থান, উদ্যান, ফুডকোৰ্ট ইত্যাদি থাকিব। আনহাতে, আৰক্ষী আয়ুক্তালয়ৰ নৱনিৰ্মিত ৮ মহলীয়া ভৱনটো উন্নত প্ৰযুক্তিৰে সজ্জিত কৰা হৈছে। ইয়াত অন্যান্য সা-সুবিধাৰ লগতে গুৱাহাটী স্মাৰ্ট ছিটি প্ৰকল্পৰ জৰিয়তে নিৰ্মিত মহানগৰীৰ দুহেজাৰৰো অধিক চি চি টিভি নিৰীক্ষণৰে সমৃদ্ধ সংহত নিয়ন্ত্ৰণ আৰু নিৰ্দেশনা কেন্দ্ৰ থাকিব। ভৱনটোৰ চতুৰ্থ মহলাত থকা এই কেন্দ্ৰটো গৃহমন্ত্ৰীগৰাকীয়ে আনুষ্ঠানিকভাৱে মুকলি কৰিব। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই কিছুদিন পূৰ্বে এই কেন্দ্ৰটো পৰিদৰ্শনৰ সময়ত প্ৰকাশ কৰা মতে, আয়ুক্তালয় উদ্বোধনৰ পাছতে শ্ৰীশ্বাহে নতুন ফৌজদাৰী আইন ৰূপায়ণৰ দিশত অসমে গ্ৰহণ কৰা ব্যৱস্থা সন্দৰ্ভত আয়োজিত এখন প্ৰদৰ্শনী পৰিদৰ্শন কৰিব। অসম আৰক্ষীয়ে এই ক্ষেত্ৰত লাভ কৰা সফলতাসমূহ কেন্দ্ৰীয় গৃহমন্ত্ৰীগৰাকীক অৱগত কৰোৱা হ'ব বুলি মুখ্যমন্ত্ৰীয়ে প্ৰকাশ কৰে। উল্লেখযোগ্য যে, নতুন ফৌজদাৰী আইন ৰূপায়নৰ ক্ষেত্ৰত অসম দেশৰ ভিতৰতে শীৰ্ষ স্থানত থকা বুলি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে শেহতীয়া অসম ভ্ৰমণত সন্তুষ্টি প্ৰকাশ কৰিছিল।

০০০০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে নতুন দিল্লীত মুখ্য সচিবসকলৰ পঞ্চম ৰাষ্ট্ৰীয় সন্মিলনত সভাপতিত্ব কৰিছে। যোৱা ২৬ তাৰিখৰ পৰা আৰম্ভ হোৱা তিনিদিনীয়া এই সন্মিলনখনৰ উদ্দেশ্য হ'ল ৰাষ্ট্ৰীয় উন্নয়নৰ অগ্ৰাধিকাৰৰ ওপৰত গঠনমূলক আৰু বহনক্ষম আলোচনাৰ জৰিয়তে কেন্দ্ৰ আৰু ৰাজ্যৰ অংশীদাৰিত্ব শক্তিশালী কৰা।

প্ৰধানমন্ত্ৰীৰ সহযোগিতামূলক যুক্তৰাষ্ট্ৰীয় ব্যৱস্থাৰ দৃষ্টিভংগীৰ আধাৰত এই সন্মিলনখনে কেন্দ্ৰ আৰু ৰাজ্যসমূহে সহযোগিতা কৰা মঞ্চ হিচাপে কাম কৰে আৰু ভাৰতৰ মানৱ মূলধনৰ সম্ভাৱনা সৰ্বাধিক কৰিবলৈ এক একত্ৰিত নীতি-নিৰ্দেশনা প্ৰস্তুত কৰে। এই সন্মিলনত বিকশিত ভাৰতৰ বাবে মানৱ মূলধন শীৰ্ষক বিষয়বস্তুৰ ওপৰত গুৰুত্ব আৰোপ কৰি ৰাজ্য তথা কেন্দ্ৰীয় শাসিত অঞ্চলসমূহে অনুসৰণ কৰিব পৰা সৰ্বশ্ৰেষ্ঠ অনুশীলন আৰু কৌশলসমূহ সামৰি লোৱা হ'ব।

এই ব্যাপক বিষয়বস্তুৰ অধীনত পাঁচটা মূল ক্ষেত্ৰৰ ওপৰত বিশেষ গুৰুত্ব দিয়া হ'ব। সেইসমূহ হৈছে প্ৰাৰম্ভিক শৈশৱ শিক্ষা, বিদ্যালয় শিক্ষা, দক্ষতা, উচ্চ শিক্ষা, ক্ৰীড়া আৰু পাঠ্যক্ৰমৰ বাহিৰৰ কাৰ্যকলাপ। ৰাজ্যসমূহত নিয়ন্ত্ৰণ হ্ৰাস কৰা, প্ৰশাসনত প্ৰযুক্তিৰ সুযোগ, বিপদাশংকা আৰু প্ৰশমন, স্মাৰ্ট যোগান শৃংখল আৰু বজাৰ সহযোগৰ বাবে এখন ৰাজ্য এটা বিশ্বমানৰ পৰ্যটন গন্তব্য স্থান আদি বিষয়ৰ ওপৰতো ছখন বিশেষ অধিবেশন অনুষ্ঠিত হ'ব।

০০০০০০০০০

আজি ঘন কুঁৱলীৰ বাবে কেইবাখনো ৰাজ্যত স্বাভাৱিক জীৱন যাত্ৰাত ব্যাঘাত জন্মাৰ লগতে উত্তৰ ভাৰতৰ বৃহৎ অঞ্চলত বিধান আৰু ৰে'ল সেৱা ব্যাহত হৈ পৰিছে। ভাৰতীয় বতৰ বিজ্ঞান বিভাগে সমগ্ৰ অঞ্চলটোত ঘন কুঁৱলী আৰু শীতল ঢৌৰ দৰে পৰিস্থিতিৰ আগজাননী প্ৰদান কৰিছে। যাৰ বাবে ৰে'ল সেৱাত ব্যাপক প্ৰভাৱ পৰিছে। দিল্লীকে ধৰি একাধিক চহৰত বিমান সেৱাও পলম হৈছে। ৰে'ল বিভাগৰ বিষয়াসকলৰ মতে, সমগ্ৰ উত্তৰ ভাৰতত ঘন কুঁৱলীৰ বাবে ৪৮ খনৰো অধিক ৰে'ল সময়সীমাৰ পিছত চলি আছে। সুৰক্ষা ব্যৱস্থা হিচাপে ৰে'লৰ গতি হ্ৰাস কৰাৰ ফলত যাত্ৰীসকল বৃহৎ অসুবিধাৰ সন্মুখীন হৈছে। বিমান পৰিবহণ সেৱাতো প্ৰতিকূল বতৰৰ প্ৰভাৱ সমানে পৰিলক্ষিত হৈছে। স্পাইচজেট, এয়াৰ ইণ্ডিয়া, ইণ্ডিগ'কে ধৰি কেইবাটাও বিমান সংস্থাই সতৰ্কতামূলক পৰামৰ্শ জাৰি কৰি সম্ভাব্য পলমৰ বিষয়ে অৱগত কৰিছে। বিমান সংস্থা আৰু ৰে'লৱে কৰ্তৃপক্ষই, বিমান বন্দৰ আৰু ষ্টেচনলৈ যোৱাৰ পূৰ্বে যাত্ৰীসকলক বিমান আৰু ৰে'লৰ অৱস্থিতি পৰীক্ষা কৰিবলৈ আহ্বান জনাইছে।

০০০০০০০০০

কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে আজি আহমেদাবাদত ভাৰতীয় চিকিৎসা সংস্থাই আয়োজন কৰা আই এম এ নেটকন ২০২৫ত অংশগ্ৰহণ কৰিব। ইয়াৰ পাছত তেওঁ আহমেদাবাদ পৌৰ নিগমে নিৰ্মাণ কৰা নিষ্কাষণ পাইপলাইন আৰু এছ জি হাইৱে পাইলট প্ৰকল্পৰ প্ৰথম পৰ্যায় উদ্বোধন কৰিব। ইয়াৰ পাছত শ্ৰীশ্বাহে গুৰু গোবিন্দ ধাম পৰিদৰ্শন কৰিব আৰু বিশ্ব উমিয়া ফাউণ্ডেচনৰ উদ্যোগত আয়োজিত যুৱ বাণিজ্যিক মহাসন্মিলন ২০২৫ৰ উদ্বোধনী অনুষ্ঠানত অংশগ্ৰহণ কৰিব। সন্ধিয়া কেন্দ্ৰীয় গৃহমন্ত্ৰীগৰাকীয়ে মণিপুৰত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ জীৱনৰ ওপৰত আধাৰিত সাংস্কৃতিক অনুষ্ঠান নমোৎসৱত অংশগ্ৰহণ কৰিব।

০০০০০০০০০

উপ-ৰাষ্ট্ৰপতি চি পি ৰাধাকৃষ্ণণ কাইলৈ দুদিনীয়া ভ্ৰমণসূচীৰে কেৰালাৰ তিৰুৱনন্তপুৰমলৈ যাব। কাইলৈ সন্ধিয়া তেওঁ পালায়াম এল এম এছত ত্ৰিবান্দ্ৰম উৎসৱৰ অংশ স্নেহা সংগমম কাৰ্যসূচীত অংশগ্ৰহণ কৰিব। মঙলবাৰে উপ-ৰাষ্ট্ৰপতিগৰাকী ৱাৰ্কালাৰ শিৱগিৰি ভ্ৰমণ কৰিব। ইয়াৰ পাছত শ্ৰীৰাধাকৃষ্ণণে নালানচিৰাৰ মাৰ আইভানিয়ছ মহাবিদ্যালয়ৰ মহাৰজত জয়ন্তী বৰ্ষৰ সামৰণি অনুষ্ঠানত অংশগ্ৰহণ কৰিব।

০০০০০০০০০

ভাৰত আৰু শ্ৰীলংকাৰ মাজৰ মহিলা টী-টুৱেণ্টী ক্ৰিকেট  শৃংখলাৰ চতুৰ্থখন খেল আজি তিৰুৱনন্তপুৰমত অনুষ্ঠিত হ'ব। খেলখন সন্ধিয়া ৭ বজাত আৰম্ভ হ'ব। ভাৰতে সম্প্ৰতি ৩-০ ফলাফলেৰে এই পাঁচখনীয়া শৃংখলাত অপ্ৰতিৰোধ্য অগ্ৰগতি লাভ কৰিছে। শৃংখলাৰ পঞ্চম তথা অন্তিমখন খেল অহা মঙলবাৰে এই একেটা স্থানতে অনুষ্ঠিত হ'ব।

০০০০০০০০০

**সমাপ্ত**